দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৫ জানুৱাৰী, শনিবাৰ ২০২৫ পৃষ্ঠা ৮

# দিশপুৰ মহাবিদ্যালয়ত সাতদিনীয়া এফডিপি অনুষ্ঠিত



গুৱাহাটী, ২৪ জানুৱাৰী ঃ আই. আই. টি. ৰ বৈদ্যুতিন আৰু আই.চি.টি. একাডেমীৰ উদ্যোগত আৰু দিশপুৰ মহাবিদ্যালয়ৰ সহযোগত ইং ২০ জানুৱাৰীৰ পৰা দিশপুৰ মহাবিদ্যালয়ৰ এন.বি.ডি. সভাকক্ষত এক সপ্তাহযোৰা এফ.ডি.পি. অনুষ্ঠিত হয়। "গৱেষণা পদ্ধতি আয়ত্ত কৰা, ফলপ্ৰসূ শৈক্ষিক গৱেষণাৰ বাবে মূল অন্তৰ্দৃষ্টি" শীৰ্ষক বিষয়ৰ এই এফ.ডি. পি.ত দিশপুৰ মহাবিদ্যালয়ৰ লগতে ৰাজ্যৰ অন্যান্য মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ প্ৰায় ৪২গৰাকী অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰে। দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ তত্বাৱধানত অনুষ্ঠিত এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ড° নিজাম খান আৰু ড° সায়ান দাস। উক্ত অনুষ্ঠানটোৰ সমন্বয়ক ড° শিখাজ্যোতি ডেকা আৰু ড° মৰমী বুঢ়াগোহাঁইৰ নেতৃত্বত এই অনুষ্ঠানৰ আজি সামৰণি পৰে।